# **সমাযোজন** (Adjustment):

## **পাতনি (Introduction):**

মানুহ সামাজিক প্ৰাণী। সমাজত জীয়াই থাকিবৰ বাবে সামাজিক পৰিবেশৰ লগত খাপ খাই চলাটো প্ৰত্যেক ব্যক্তিৰ মৌলিক আধাৰ স্বৰূপ। দৈনন্দিন জীৱন সময়ৰ সতে গতিশীল। বিভিন্ন পৰিস্থিতিত আমি জীৱনৰ গতি চলাই নিবৰ বাবে যি ব্যৱস্থা গ্ৰহণ কৰো সিয়েই সমযোজন। সমযোজন অবিহনে ব্যক্তিৰ সামাজিক সত্বা অৰ্থহীন। সমাযোজনে ব্যক্তিত্বৰ বিকাশ সাধনত সহায় কৰে।

## **সমাযোজনৰ অৰ্থ আৰু ধাৰণা (Meaning and Concept of Adjustment ):**

সমাযোজন শব্দটো পোনপ্ৰথমবাৰৰ বাবে জীৱবিজ্ঞানৰ অধ্যয়নত ডাৰউইনে ব্যৱহাৰ কৰিছিল। পিছত মনোবিজ্ঞান আৰু সমাজবিজ্ঞানৰ অধ্যয়নত সমাযোজন বহুল ভাবে ব্যৱহাৰ হৈছে।

ব্যক্তি জীৱনৰ প্ৰয়োজনীয়তা আৰু বাস্তবজীৱনৰ থকা খিনিৰ মাজত আমি সদায় নিজক মিলাই চলিব লগা হয়। ব্যক্তি এগৰাকীয়ে যিমান বিচাৰে, যিধৰণৰ হব বিচাৰে, যেনেদৰে থকাৰ কল্পনা কৰে আচলতে বাস্তবজীৱনত সেইখিনি হৈ নুঠে। পৰিবৰ্তিত পৰিস্থিতিৰ সতে এজন ব্যক্তিয়ে নিজকে খাপ খুৱাই চলা প্ৰক্ৰিয়াকে সমাযোজন বুলি কোৱা হয়। ব্যক্তিয়ে নিজৰ পৰিবেশৰ লগত যোগাত্মক সম্পৰ্ক স্থাপন কৰি জীয়াই থকাৰ যি প্ৰক্ৰিয়া সিয়েই সমাযোজন।

## **সমাযোজনৰ প্ৰকৃতি (Nature of adjustment):**

**১/সমাযোজন এক অবিৰত প্ৰক্ৰিয়া(Adjustment is a Continuous Process):** জীৱন আৰু সময় গতীশীল। সেয়ে সমাযোজন প্ৰক্ৰিয়াও এটি গতিশীল ধাৰণা। দৈনন্দিন জীৱনৰ প্ৰতিটো নতুন মূহুৰ্ত জীয়াই থকাৰ যোগ্য কৰি লোৱা প্ৰক্ৰিয়াটোয়ে সমাযোজন।।

**২/ সমাযোজন দ্বিপাক্ষিক প্ৰক্ৰিয়া(Adjustment is a Bi-Polar Process):** সমাযোজন দ্বিপাক্ষিক প্ৰক্ৰিয়া। ব্যক্তি আৰু পৰিবেশৰ মাজত সমাযোজন সংঘটিত হয়। সামাজিক পৰিবেশৰ এগৰাকী ব্যক্তিৰ দ্বাৰা সুস্থ গ্ৰহণযোগ্যতাই হৈছে সমাযোজন।

**৩/ সমাযোজনে ব্যক্তিৰ প্ৰয়োজনবোৰ যোগাত্মক দিশত সংকুচিত কৰে(Adjustment Reduces the Need of a People in a Possitive Direction):** সমাযোজনে ব্যক্তিৰ বিভিন্ন প্ৰয়োজন সংকুচিত কৰাত সহায় কৰে। কিয়নো মানুহে কল্পনাৰ জগতত ভৰ দি বিভিন্ন বস্তু নিজাকৈ পোৱাৰ কথা ভাবে যদিও বাস্তৱত সকলোবোৰে লাভ কৰা সম্মভৱ নহয়। সমাযোজন এনে এক প্ৰক্ৰিয়া যিয়েই বাস্তৱ পৰিস্থিতিয়ে যি দিয়ে তাতে সন্তুষ্ট কৰি ৰখাত ব্যক্তিক সহায় কৰে।

**৪/ সমাযোজনে লক্ষ্যপ্ৰাপ্তি আৰু মানসিক শান্তি যোগায়(Adjustment brings Happines by Acheveing Goals of Life):** বাস্তৱ পৰিবেশত খাপ খোৱা মানে যিকোনো পৰিস্থিতি গ্ৰহণ কৰা বুজায়। পৰিস্থিতিয়ে যি দিয়ে তাকে গ্ৰহণ কৰা মানেই লক্ষ্যপ্ৰাপ্তি আৰু লক্ষ্যপ্ৰাপ্তিয়ে ব্যক্তি জীৱনলৈ আনন্দ কঢ়িয়াই আৰু সন্তুষ্টি প্ৰদান কৰে।

**৫/ সমাযোজনে জীবনৰ বিভিন্ন সমস্যাৰ সমাধানৰ পথ দেখায়(Adjustment Reduces Problems of Life)ঃ** মানুহে জীবনত যিটো বিচাৰে সেইটো নাপালে স্বাভাৱিকতে বিফলতাৰ সন্মুখীন হয় । আৰু নানা উৎকন্ঠা, হতাশাই জীবনত নানা সমস্যাৰ সৃষ্টি কৰে। কিন্তু বাস্তৱিক পৰিস্হিতিক যোগাত্মক ভাবে গ্ৰহন কৰি সমাযোজন কৰাৰ ফলত কোনো মানসিক অন্তৰ্দ্বন্দ নাথাকে আৰু কোনো সমস্যাও নাথাকে।

**সুস্থ সমাযেজনৰ উপাদানসমূহ (Elements for Good Adjustment)ঃ**
এগৰাকী ব্যক্তি যিকোনো পৰিবেশত সুস্থ সমাযোজন কৰিবৰ বাবে ব্যক্তিত্বৰ বিভিন্ন দিশত তলত উল্লেখ কৰা উপাদানসমূহৰ প্ৰয়োজন –

**১) সুস্বাস্থ্য (Good Health)ঃ** শাৰিৰীক সুস্থতা সুস্থ সমাযোজনৰ উপাদান।শৰীৰ সুস্থ হ'লেহে যিকোনো পৰিস্থিতিত সমাযোজন কৰিব পাৰে। কিয়নো পৰিস্হিতিৰ সতে সঠিক সমাযোজন নহলেও ব্যক্তি শাৰিৰীকভাবে অসুস্হ হোৱা দেখা যায়।
**২/ মানসিক সুস্হতা (Mental Health)ঃ** মানসিক সুস্হতাই ব্যক্তিক সুখী কৰি ৰাখে। কিন্ত মানসিক ভাবে অসুস্হ হলে ব্যক্তি হতাশা, হীনমন্যতা আৰু বিভিন্ন জটিলতালৈ গতি কৰা দেখা যায়আৰু সমাযোজনত বাধাৰ সৃষ্টি কৰে।
**৩/ কাৰ্য্য দক্ষতা(Work Efficiency)ঃ** কৰ্মক্ষন ব্যক্তিয়ে সহজে সমাযোজন কৰিব পাৰে। যিকোনো পৰিস্থিতি চম্ভালিব পৰাকৈ যিজন ব্যক্তি কৰ্মক্ষন তেনে ব্যক্তিৰ সুস্থ সমাযোজন অতি স্বতঃস্ফুৰ্ত ।
**৪/ সামাজিক গ্ৰহণযোগ্য(Social Acceptance)ঃ** সমাযোজনৰ বাবে সামাজিক গ্ৰহণযোগ্যতাৰ প্ৰয়োজন।সমাজৰ যিকোনো পৰিস্থিতি গ্ৰহণ কৰিব পৰা মানসিকতা থকাটো সুস্থ সমাযোজনৰ বাবে অতি প্ৰয়োজন।

**সুস্হ সমাযোজিত ব্যক্তিৰ লক্ষনসমূহ(Symtoms of Well Adjusted Personality )ঃ**
**১/ স্বসজাগতা (Self Awarness)ঃ** সুস্হ সমাযোজন কৰিব পৰা ব্যক্তিৰ নিজৰ বিষয়ে সম্পূৰ্ণ জ্ঞান থাকে কিয়নো তেওঁ কিমানখিনি কৰিব পাৰিব আৰু কিমানখিনি কৰিব নোৱাৰিব সেই বিষয়ে জানে।সুস্হ সমাযোজিত ব্যক্তি নিজৰ সীমাবদ্ধতা বিষয়ে সদায় জ্ঞাত।

**২/ স্বাৱলম্বীতা(Self Sufficiency)ঃ** সুস্হ সমাযোজন কৰিব পৰা ব্যক্তি আত্মনিৰ্ভৰশীল হয়। যিকোনো পৰিস্হিতি চম্ভালি ল'ব পৰাকৈ তেনে ব্যক্তিৰ ক্ষমতা আৰু সামৰ্থ্য থাকে।

**৩/ আত্মবিশ্বাস(Self Confidence)ঃ** সুস্হ সমাযোজিত ব্যক্তিসকল আত্মবিশ্বাসী হয়।পৰিস্থিতিৰ প্ৰত্যাহবান স্বীকাৰ কৰিব পৰাই হৈছে ব্যক্তিৰ আত্মবিশ্বাস। আত্মবিশ্বাস আছে বাবেই তেনে ব্যক্তিয়ে বিভিন্ন পৰিবেশত খাপ খাই আগবাঢ়িব পাৰে।

**৪/ সহজ গ্ৰহণযোগ্যতা (Simple Acceptance)ঃ** যিকোনো পৰিস্হিতি সহজভাবে গ্ৰহণ কৰিব পৰাটো সুস্হ সমাযোজিত ব্যক্তিৰ লক্ষণ।যি হৈছে তাকে যোগাত্মক ভাবে গ্ৰহণ কৰাটো সুস্থ সমাযোজনৰ লক্ষন।

**৫/ আত্মৰক্ষা আৰু দায়বদ্ধতাৰ মনোভাব (Sense of Security and Responsibility)ঃ** আত্মৰক্ষা সামৰ্থ্য এজন সুস্হ সমাযোজিত ব্যক্তিৰ লক্ষণ। সুস্হ সমাযোজিত ব্যক্তিয়ে দায়বদ্ধতাৰ মনোভাব পোষণ কৰিব পাৰে। নিজৰ প্ৰতি পৰিয়ালৰ প্ৰতি আৰু সমাজৰ প্ৰতি দায়বদ্ধতাৰ মনোভাব বহন কৰে।

**৬/ লক্ষ্য কেন্দ্ৰিক (Goal Oriented)ঃ** সুস্হ সমাযোজিত ব্যক্তি সদায় লক্ষ্য কেন্দ্ৰিক হয়। প্ৰত্যেক কাৰ্য্য কৰাৰ আগত তেনে ব্যক্তিয়ে সুনিৰ্দিষ্ট লক্ষ্য স্হিৰ কৰি আগবাঢ়ে। লক্ষ্যত স্থিৰ বাবেই তেনে ব্যক্তিয়ে বিভিন্ন পৰিস্থিতিত সুস্থ সমাযোজন কৰিব পাৰে।

**৭) আৱেগিক ভাৰসাম্যতা (Balance in All Emotion)ঃ** সুস্থ সমাযোজিত ব্যক্তি আৱেগিক ভাবে নিয়ন্ত্ৰিত ব্যক্তি। পৰিস্থিতি অনুসৰি আবেগৰ নিয়ন্ত্ৰন কৰিব পৰাটোও সুস্থ সমাযোজনৰ লক্ষন।

**৮) ব্যৱহাৰৰ নমনীয়তা (Flexibility in Behaviour)ঃ** সুস্থ সমাযোজিত ব্যক্তিয়ে পৰিবেশ অনুসৰি নিজৰ ব্যৱহাৰ প্ৰদৰ্শন কৰে। মানুহ পৰিবেশৰ দাস। আৱেগিক হৈ আচৰন কৰাটো অপ সমাযোজনৰ লক্ষ্য।

**৯) চিন্তন পৰিপক্কতা (Maturity in Thinking)ঃ** সুস্থ সমাযোজিত ব্যক্তি মানসিক ভাবে পৰিপক্ক যিকোনো পৰিস্থিতিত সুচিন্তাৰে পাৰ কৰিব পৰা সামৰ্থ্য সুস্থ সমাযোজিত ব্যক্তিৰ লক্ষন। হঠাতে যিকোনো সম্যসাত পৰিলে ব্যক্তি দু:চিন্তাত পৰে আৰু বিচলিত হয়।কিন্ত চিন্তনৰ পৰিপক্কতাই তেনে পৰিস্থিতি সফলতাৰে পাৰ কৰাত সহায় কৰে।

**১০) সিদ্ধান্ত গ্ৰহন ক্ষমতা (Capacity of Decision Making)ঃ** সুস্থ সমাযোজিত ব্যক্তিয়ে পৰিস্থিতি অনুসৰি চলিবৰ বাবে সময় সাপেক্ষে স্বতন্ত্ৰভাবে সিদ্ধান্ত গ্ৰহন কৰিব পাৰে। আনৰ বাবে

সিদ্ধান্ত ল'বলৈ অপেক্ষা কৰা মানেই নিৰ্ভৰশীলতা।নিৰ্ভৰশীলতাই সম্যসা বঢ়াই। পৰিবেশ অনুসৰি তাৎ ক্ষনিক সিদ্ধান্ত গ্ৰহণ ক্ষমতা সুস্থ সমাযোজনৰ লক্ষন।

**সামৰণি (Conclusion)ঃ**

ব্যক্তিৰ সামাজিক সত্বা সফলকাম কৰিব পৰা আটাইতকৈ প্ৰয়োজনীয় প্ৰক্ৰিয়াটো হৈছে সমাযোজন। সমাযোজনে দৈনন্দিন জীৱন সুগম কৰে, কিয়নো পৰিবেশ অনুসৰি খাপ খাই চলিব নোৱাৰিলে ব্যক্তি জীৱনত জটিলতা বাঢ়ে।ব্যক্তিয়ে সমাযোজনৰ সহায়ত এনে জটিলতা নোহোৱা কৰি জীৱনৰ গতি সৰল কপি তপলিব পাৰে।

# বৈদিকযুগৰ শিক্ষা(Ved Kalin Sikshan)

## পাতনি (Introduction):

পৃথিৱীৰ সকলো সভ্যতাতকৈ প্ৰাচীন সভ্যতা  হৈছে বৈদিক সভ্যতা। এই সময়ছোৱাতে শিক্ষাৰ এটি একক আৰু প্ৰগতিশীল ধাৰণাৰ আৰম্ভ হৈছিল।বেদক কেন্দ্ৰ কৰিয়ে এই সময়ছোৱাৰ শিক্ষা ব্যৱস্থাৰ আৰম্ভণি।সেয়ে প্ৰাচীন ভাৰতৰ শিক্ষা বুলি ক'লে বৈদিক যুগৰ শিক্ষা ব্যবস্থাকে বুজা যায়। ভাৰতীয় সভ্যতাত বৈদিক যুগৰ অৱদান অতুলনীয়। ভাৰতীয় সাহিত্য সংস্কৃতিৰ আৰম্ভনি বৈদিক যুগতেই হৈছিল।

**বৈদিক শিক্ষাৰ ধাৰণা** (Concept of Vedic Education):

ভাৰতৰ শিক্ষা ইতিহাসত প্ৰথম শিক্ষা ব্যৱস্থা বুলি ক'লে বৈদিক শিক্ষা  ব্যৱস্হাকে বুজা যায়। সেই শিক্ষাব্যবস্থা চাৰিখন বেদক ভিত্তি কৰি গঢ় লৈ উঠিছিল। সেয়ে এই শিক্ষা ব্যবস্থাকে বৈদিক শিক্ষা বোলা হয়। বেদ সমূহ অধ্যয়ন কৰা বৈদিক শিক্ষা ব্যবস্থাৰ মূল লক্ষ্য ।

**বৈদিক যুগৰ শিক্ষাৰ লক্ষ্য** (Objective of Vedic Education):

১) ধৰ্মীয় আৰু নৈতিক শিক্ষাৰ গুৰুত্ব (Emphasis on Religious and Moral Education): বৈদিক যুগৰ শিক্ষাৰ পৰিবেশটোৱে ছাত্ৰৰ মনত ধাৰ্মিকতা আৰু নৈতিকতাৰ বীজ ৰূপন কৰিছিল। বেদ অধ্যয়নৰ দ্বাৰা ছাত্ৰই ইন্দ্ৰিয় সংযম, বুদ্বিৰ স্থিৰতা, মানসিক শান্তি আৰু বুদ্ধিৰ বিকাশ লাভ কৰিছিল।

**২) চৰিত্ৰ গঠন** (Character Formation): উপযুক্ত নৈতিক শিক্ষাৰ দ্বাৰা ছাত্ৰৰ সুচৰিত্ৰ গঠন কৰা বৈদিক শিক্ষাৰ আন এটি লক্ষ্য। শিক্ষা আহৰণৰ কালছোৱাত শাস্ত্ৰসন্মত নীতি নিয়মৰ দ্বাৰা যিবোৰ অনুষ্ঠান পালন কৰা হৈছিল ছাত্ৰ সকল তেনে অনুষ্ঠানত উপস্থিত থকাটো বাধ্যতা মূলক আছিল।

**৩) ব্যক্তিত্বৰ বিকাশ** (Personality Development): ব্যক্তিত্বৰ সকলোবোৰ দিশ সমানে বিকাশ সাধনৰ ওপৰত বৈদিক শিক্ষাই পোষকতা কৰিছিল। বৈদিক শিক্ষা ব্যৱস্হাত সকলোবোৰ ব্যবস্থাপনা আছিল যাৰ জড়িয়তে সৰ্বাংগীন ব্যক্তিত্ব বিকাশ সম্ভব হৈছিল ।

**৪)সামাজিক মূল্যবোধৰ শিক্ষা**(Importance on Social Value Education) :বৈদিক শিক্ষাৰ মাজেৰে সামাজিক গুনসমূহ ছাত্ৰৰ ব্যক্তিত্বত উৎকৰ্ষ সাধন কৰাৰ প্ৰয়াস কৰা হৈছিল। কাৰন সামাজিক দক্ষতা আহৰন সফল জীৱনৰ অন্যতম মাপকাঠী।

**৫) সংস্কৃতি সংৰক্ষণ আৰু সম্প্ৰসাৰণ**(Preservation and Transmission of Culture)ঃশিক্ষা সংস্কৃতিৰ বাহক। বৈদিক যুগত লিখিত ব্যৱস্হাৰ সুবিধা নাছিল যদিও মৌখিকভাবে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ সংস্কৃতিৰ সংৰক্ষন আৰু সম্প্ৰসাৰণ হৈছিল।

**বৈদিক শিক্ষা মূখ্য দিশসমূহ (Main Features of Vedic Education)ঃ**

**১) শিক্ষক(Teacher)ঃ** বৈদিক শিক্ষা ব্যৱস্থাত শিক্ষকসকলক সাধাৰনতে গুৰু বা ঋষি বোলা হৈছিল। তেওঁলোক আছিল বিদগ্ধ পণ্ডিত, চৰিত্ৰবান, শাস্ত্ৰত অগাধ দখল থকা উচ্চ নৈতিক আদৰ্শ আৰু মহৎ গুনৰ অধিকাৰী। তেওঁলোকে সহজ সৰল, ধাৰ্মিক জীৱন যাপন কৰিছিল। সকলো দিশতে তেওঁলোকে ছাত্ৰৰ আগত উচ্চ আদৰ্শ দাঙি ধৰিছিল।

**২) ছাত্ৰৰ কৰ্তব্য(Responsibilities of Learners)ঃ**

গুৰু কুলত ছাত্ৰই ব্ৰহ্মচৰ্য্য ব্ৰত অবলম্বন কৰি ভোগ বিলাসৰ পৰা আতৰি গুৰুৰ ওচৰত অধ্যয়নত মনোনিবেশ কৰিব লাগিছিল। ভিক্ষা কৰি আহাৰ সংগ্ৰহ কৰাটো ছাত্ৰৰ কৰ্ত্তব্য হিচাপে ধৰা হৈছিল। গুৰুমাতাক সকলো ক্ষেত্ৰত সহায় কৰাটো ছাত্ৰৰ আন এটি কৰ্তব্য আছিল। যাৰ জৰিয়তে জীৱনশৈলীৰ শিক্ষা গ্ৰহন ছাত্ৰৰ পক্ষে সম্ভৱ হৈছিল।

**৩) গুৰু শিষ্যৰ সম্বন্ধ(Relationship between Teacher and Taught)ঃ**

বৈদিক যুগৰ গুৰু শিষ্যৰ সম্বন্ধ আছিল একক আৰু এটি সুন্দৰ উদাহৰন। গুৰুৱে শিষ্যক নিজৰ আধ্যাত্মিক পুত্ৰ জ্ঞান কৰিছিল। শয়ন, গমন সকলোতে গুৰুৱে শিষ্যক উপদেশ দিব লাগিছিল। স্বাস্থ্যৰক্ষা আৰু নীতি পালনত গুৰুত্ব দিয়াৰ উপৰিও গুৰুৱে শিষ্য অসুখত পৰিলে শুশ্ৰূষা কৰিব লাগিছিল।

**৪) শিক্ষা পদ্ধতি(Method of Teaching)ঃ**

বৈদিক শিক্ষা পদ্ধতিত ছাত্ৰই বেদৰ শ্লোকসমুহ মুখস্থ কৰিব লাগিছিল। মৌখিক ভাবেই শিক্ষা এটা পুৰুষৰ পৰা আন অটা পুৰুষলৈ প্ৰৱাহিত হৈছিল। ছাত্ৰই গুৰুৰ ওচৰত মাটিত বহি শিক্ষা গ্ৰহণ কৰিছিল। গুৰুৱে প্ৰতেক ছাত্ৰক ব্যক্তিগত ভাবে মনোযোগ দিছিল। প্ৰত্যেক দিনে গুৰুৱে ছাত্ৰক প্ৰশ্ন সুধিছিল। সেয়ে প্ৰতিদিন শিক্ষাগ্ৰহণ কাৰ্য্যত সকলো ছাত্ৰ সক্ৰিয় আৰু সজাগ হৈ থাকিবলৈ বাধ্য আছিল।

**৫) পাঠ্যক্ৰম (Curriculum)ঃ**

বৈদিক শিক্ষা ব্যৱস্থাত বৈদিক মন্ত্ৰ, যাগ যজ্ঞ আদিৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। বৈদিক সাহিত্যৰ অধ্যয়ন বাধ্যতামুলক আছিল। ইযাৰোপৰি পাঠ্যক্ৰমত ব্যাকৰন, জ্যোতিবিদ্যা, জ্যোতিষশাস্ত্ৰ, তৰ্কশাস্ত্ৰ,

ইতিহাস, দৰ্শন, অৰ্থশাস্ত্ৰ, ৰাজনৈতিক বিজ্ঞান, ভাস্কৰ্য্য, চিত্ৰাংকন, সামৰিক বিদ্যা, আয়ুৰ্বেদ আদি বিষয় অন্তভুৰ্ক্ত কৰা হৈছিল।

**৬) অনুশাসন(Discipline):**

শিষ্যই ব্ৰহ্মচৰ্য্য ব্ৰত গ্ৰহন কৰি ভোগ বিলাসহীন কঠোৰ জীৱন যাপন কৰিছিল। শিক্ষা ধৰ্মভিত্তিক হোৱা কাৰনে শিষ্যসকলে নানা ধৰ্মীয় ৰীতি নীতি কঠোৰ ভাৱে পালন কৰিছিল আৰু সেয়ে শিষ্যৰ জীবন ধাৰা খুবেই শৃংখলাবদ্ধ আছিল। শিষ্যই মুৰ খুৰাই, সাধাৰন কাপোৰ পিন্ধি অধ্যয়নত মনোনিবেশ কৰিব লাগিছিল।

**৭) নাৰী শিক্ষা(Women Education):**

বৈদিক শিক্ষা ব্যৱস্থা নাৰীয়ে এক গুৰত্বপূৰ্ন স্থান অধিকাৰ কৰিছিল। পুৰুষৰ সমানে সমানে নাৰীয়ে শিক্ষা লাভ কৰিছিল। সমাজত শিক্ষিতা নাৰীক উচ্চ আসন দিয়া হৈছিল। ঋকবেদৰ কিছুমান শ্লোক মহিলাই ৰচনা কৰিছিল। তেওঁলোকৰ ভিতৰত উল্লেখযোগ্য আছিল লোপামুদ্ৰা, অপলা, উৰ্বশী, ঘোষা, গাৰ্গী, মৈত্ৰেয়ী আদি। কিন্তু বৈদিক যুগৰ পিছৰ ফালে বিভিন্ন অন্ধবিশ্বাসৰ ফলত নাৰী-শিক্ষাক সমাজৰ উচিত স্থানৰ পৰা অবনমিত কৰা হৈছিল।

**৮) গুৰুকুল শিক্ষা ব্যৱস্থা(Gurukula System of Education):**

গুৰুকুল শিক্ষা ব্যৱস্থা বৈদিক শিক্ষা ব্যৱস্থাৰ আটাইতকৈ উল্লেখ্যযোগ্য অৱদান। বৈদিক শিক্ষা ব্যবস্থাত কোনো অনুষ্ঠানিক শিক্ষানুষ্ঠান নাছিল। গুৰুৰ ঘৰত থাকি ছাত্ৰই শিক্ষা গ্ৰহন কৰাকে গুৰুকুল শিক্ষা ব্যৱস্থা বোলা হয়। উপনয়ন নামৰ সামাজিক ধৰ্মীয় পৰম্পৰাৰ পিছতেই ছাত্ৰই শিষ্য হৈ গুৰু গৃহত প্ৰবেশ কৰিছিল।এজন শিষ্যই গুৰু গৃহত ১২ বছৰকাল শিক্ষা লাভ কৰিছিল। শিক্ষাৰ অন্তত সমাৱৰ্তন উৎসবৰ যোগেদি শিক্ষা সাং কৰি শিষ্য গুৰু গৃহৰ পৰা নিজ ঘৰলৈ উভতিছিল। গুৰু গৃহত বৈদিক শিক্ষাৰ উপৰিও জীৱন শৈলীৰ বিভিন্ন কৌশল শিকোৱা হৈছিল। ব্যক্তিগত ভাবে শিষ্যক গুৰুৱে ছোৱাচিতা কৰিছিল। গুৰু শিষ্যৰ সম্পৰ্ক সেই সময়ত আধ্যাত্মিক পিতা পুত্ৰ সম্পৰ্ক আছিল।

**৯) বৈদিক যুগৰ শিক্ষা কেন্দ্ৰ সমূহ(Institutions of Vedic Education):**

বৈদিক শিক্ষাব্যৱস্থাত গুৰুকুলসমূহেই শিক্ষাৰ কেন্দ্ৰ আছিল। বাৰানসী, তক্ষশীলা, মিথিলা, কনৌজ, কল্যানী আদি ঠাইসমূহ উচ্চ শিক্ষাৰ কেন্দ্ৰ হিচাপে বিখ্যাৎ আছিল। তক্ষশীলা আৰু বাৰানসীক বিশ্ববিদ্যালয় আখ্যা দিয়া হৈছিল।

**বৰ্তমান শিক্ষা ব্যৱস্হাত বৈদিক শিক্ষাৰ প্ৰাসংগিকতা (Relevance of Vedic Education in Present Education System):** প্ৰাচীন গুৰুকুল শিক্ষাব্যৱস্থা বৰ্তমান সমগ্ৰ পৃথিৱীতে সমাদৃত কিয়নো সেই শিক্ষা ব্যৱস্থা আছিল সম্পূৰ্ণ মনোবৈজ্ঞানিক , য'ত জীৱন সংগঠনৰ প্ৰয়োজনীয় কৌশল শিকোৱা হৈছিল আৰু যাৰ জৰিয়তে ছাত্ৰৰ সৰ্বাংগীন ব্যক্তিত্বৰ বিকাশ সহজ হৈছিল । গুৰুকুল শিক্ষাব্যৱস্থাৰ গুৰু শিষ্যৰ যি সম্পৰ্ক সেই সম্পৰ্কৰ প্ৰসংগিকতা বৰ্তমান শিক্ষা ব্যৱস্থাত অতি গুৰুত্বপূৰ্ণ হিচাপে চিহ্নিত হৈছে । গুৰুকুল শিক্ষাব্যৱস্থাত প্ৰকৃতিৰ মাজত সম্পূৰ্ণ শিক্ষাৰ পৰিবেশ প্ৰদান কৰিছিল । বৈদিক শিক্ষা ব্যৱস্হাই কৰ্মদক্ষতাৰ জৰিয়তে ছাত্ৰৰ শাৰিৰীক আৰু মানসিক দিশত সুস্থিৰতা প্ৰদান কৰাত সফল হৈছিল । বৈদিক শিক্ষা ব্যৱস্থাত গুৰুগৃহত থকাৰ যি ব্যৱস্থা আছিল তাৰ জৰিয়তে জীৱনশৈলীৰ কৌশল শিকাৰ সুবিধা ছাত্ৰই লাভ কৰিছিল । বৈদিক শিক্ষা ব্যৱস্থাৰ ধৰ্মীয় আৰু নীতি শিক্ষাৰ জ্ঞানে ছাত্ৰৰ জীৱনত শান্তি আৰু সুস্থিৰতা কঢ়িয়াই আনিছিল ।এনেবোৰ বিশেষ কাৰণতে বৈদিক শিক্ষা ব্যৱস্থা বৰ্তমানৰ শিক্ষা ব্যৱস্থাত এতিয়াও অতি প্ৰাসংগিক ।

## সামৰনি(Conclusion)ঃ

ভাৰতীয় সভ্যতাত বৈদিক যুগৰ অৱদান অতুলনীয়। বৈদিক যুগৰ শিক্ষা আছিল সম্পূৰ্ণ মনোবৈজ্ঞানিক। ছাত্ৰৰ সৰ্বাংগীন বিকাশৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহন কৰা হৈছিল। শাৰিৰীক শাস্তিৰ ব্যৱস্থা নাছিল কিন্তু সুসংগঠিত শৃংখলাবদ্ধ শিক্ষাব্যৱস্থাই প্ৰতেকজন ছাত্ৰক একোজন দায়িত্বশীল সুনাগৰিক আৰু সুমানৱ সৃষ্টি কৰাত সহায় কৰিছিল।

# শিকন আৰু শিক্ষন বিজ্ঞান(Learning and Pedagogy)ঃ

**পাতনি(Introduction):**

শিক্ষা শব্দটোৰ সতে জড়িত দুটা অতি অপৰিহাৰ্য্য প্ৰক্ৰিয়া হৈছে শিকন আৰু শিক্ষন ছাত্ৰ জীৱনৰ প্ৰগতিৰ হোতা এই দুই প্ৰক্ৰিয়া। জীৱনৰ সমষ্ট নতুনত্ব কঢ়িয়াই অনা অভিজ্ঞতা সমুহেই হৈছে শিকন। আৰু সমষ্ট উংস যাৰ জৰিয়তে, ছাত্ৰৰ জীৱনত নতুন অভিজ্ঞতাৰ সঞ্চয় হয় সিয়েই হৈছে শিক্ষন।

**শিকনৰ অৰ্থ আৰু ধাৰনা(Meaning and concept of Learning):**

জন্মৰ পিছৰ পৰাই মানৱ শিশুৱে লাহে লাহে পৰিবেশৰ লগত খাপ খাবলৈ শিকে। মানুহ যি পৰিবেশত বাস কৰে তাৰ লগত খাপ খাই চলিবৰ বাবে সহজতে প্ৰবৃত্তিৰ বলত প্ৰদৰ্শন কৰিব পৰা আচৰনৰ পৰিবৰ্তন আৰু উন্নতিসাধনৰ প্ৰয়োজন। এনে কৰিবৰ বাবে যি প্ৰক্ৰিয়াৰ প্ৰযোজন তাকে শিকন বুলি কোৱা হয়। মনোবিজ্ঞানী গেট্ ছৰ মতে 'শিকন হৈছে অভিজ্ঞতা আৰু প্ৰশিক্ষনৰদ্বাৰা আচৰনৰ পৰিবৰ্তন সাধন হোৱা'।

শিক্ষা মনোবিজ্ঞানী সকলে ব্যক্তিৰ আচৰনৰ প্ৰগতিমুলক পৰিবৰ্তনক শিকন আখ্যা দিয়ে। শিকনৰ দ্বাৰা এজন ব্যক্তিৰ ক্ষেত্ৰত স্থায়ী বা অস্থায়ী পৰিবৰ্তন সাধিত হয়। অবস্থাৰ পৰিবৰ্তন আৰু ক্ৰমোন্নতিৰ যোগেদি লাভ কৰা জীবনৰ অভিজ্ঞতাই হৈছে শিকন।

**শিকনৰ বৈশিষ্ট্য সমুহ(Characteristics of Learning):**

১) শিকন হৈছে ব্যক্তিয়ে পৰিবেশৰ লগত কৰা সমাযোজন কাৰ্য্য।

২) শিকনৰদ্বাৰা নতুন অভিজ্ঞতা আৰু উন্নত ক্ৰিয়া আচৰনৰ যোগ্যতা লাভ কৰিব পৰা যায়।

৩) শিকনৰ সদায় এক নিৰ্দিষ্ট লক্ষ্য থাকে।

৪) ব্যক্তিৰ দেহ-মনৰ পৰিপক্কতাৰ ওপৰত শিকন নিৰ্ভৰশীল।

৫) ব্যক্তিৰ দেহ-মানসিক ক্ষমতা আৰু অবস্থাৰ ওপৰত শিকন নিৰ্ভৰশীল।

৬) শিকন কাৰ্য্যৰ বাবে শিক্ষাৰ্থীৰ মনত অভিৰোচনৰ প্ৰয়োজন।

৭) অভ্যাসে শিকনৰ স্থায়ীত্ব প্ৰদান কৰে।

৮) উদদীপক আৰু প্ৰতিক্ৰিয়া ৰ মাজত সম্বন্ধ স্থাপন হোৱাকে শিকন বুলি কোৱা হয়।

৯) শিকন ভুল আৰু শুদ্ধ দুয়োবিধৰ হ'ব পাৰে।

১০) ব্যক্তিৰ জৈৱিক বা সামাজিক সমাযোজন মানেই শিকন।

**শিকনৰ নীতিসমুহ(Laws of Learning):**

উদদীপকে গ্ৰহনেন্দ্ৰিয়ৰ ওপৰত ক্ৰিয়া কৰিলে প্ৰানীয়ে তাৰ প্ৰতি সঁহাৰি জনায় অৰ্থাৎ প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰে আৰু উদদীপক আৰু প্ৰতিক্ৰিযাৰ মাজত সংযোগ সাধন হৈ শিকন হয়। এই সংযোগ স্থাপনৰ বাবে বা স্থাপন হোৱা সংযোগ দৃঢ় আৰু স্থায়ী কৰিবৰ বাবে কেনে পৰিস্থিতিৰ প্ৰযোজন সেই বিষয়ে পৰীক্ষা-নিৰীক্ষা চলাই থৰ্নডাইকে মুলতঃ তিনিটা নীতিৰ উল্লেখ কৰিছে। সেই নীতিসমুহ হ'ল:-

১) **প্ৰস্ততিৰ নীতি(Laws of Readiness):**

২) **অনুশীলনৰ নীতি(Law of Exercise):**

৩) **ফলাফলৰ নীতি(Law of Effect):**

১) **প্ৰস্ততিৰ নীতি(Law of Readiness):**

শিক্ষা গ্ৰহনৰ বাবে দৈহিক আৰু শিক্ষাদান কাৰ্য্য আৰম্ভ কৰাৰ আগতে শিক্ষা গ্ৰহনৰ বাবে আগ্ৰহ ওপজাই শিক্ষাৰ্থীক প্ৰস্তত কৰি লোৱা অতি প্ৰয়োজন। দৈহিক আৰু মানসিক প্ৰস্ততি থকা শিক্ষাৰ্থীৰ বাবেহে শিক্ষা গ্ৰহন সহজ আৰু সফল হয়।মানে শিকন প্ৰক্ৰিয়া সাধিত হয়।

২) **অনুশীলনৰ নীতি(Law of Exercise):**

শিক্ষাৰ্থীয়ে লাভ কৰা শিক্ষক স্থায়ী ৰূপ দিবলৈ অনুশীলনৰ প্ৰয়োজন। পুনৰাবৃত্তিৰ জৰিয়তেহে শিকন সফল হয়। কোনো কামত দক্ষতা লাভ কৰিবৰ বাবে অনুশীলনৰ প্ৰয়োজন। যিবোৰ কামত শিক্ষাৰ্থীৰ দক্ষতাৰ প্ৰযোজন সেইবোৰৰ অনুশীলন কৰোৱাৰ প্ৰয়োজন আৰু যিবোৰ কাম বা অভ্যাস এৰিব লাগে তেনেবোৰ কাম কৰাৰ পৰা শিক্ষাৰ্থীক বিৰত ৰাখিব লাগে।

**সেই দৃষ্টি কোনৰ পৰা**

**থৰ্নডাইকৰ এই নীতিক দুটা ভাগত ভগাব পাৰি-**

১) **ব্যৱহাৰৰ নীতি(Law of Use)**

২) **অব্যৱহাৰৰ নীতি(Law of Disuse)**

৩) **ফলাফলৰ নীতি(Law of Effect):**

উদ্দীপক আৰু প্ৰতিক্ৰিয়াৰ মাজত সংযোগ স্থাপন হোৱাত পৰিনাম যদি তৃপ্তিদায়ক হয়, উদ্দীপক আৰু প্ৰতিক্ৰিয়াৰ মাজত বন্ধন বেছি শক্তিশালী হয় আৰু সংযোগ স্থাপনৰ পৰিনতি যদি বিৰক্তিকৰ হয়, বন্ধনৰ শক্তি হ্ৰাস পায়- থৰ্নডাইকৰ ভাষাত এয়ে হ'ল ফলাফলৰ নীতি। কোনো কাৰ্য্যৰ ফলাফল সন্তোষজনক হ'লে সেই কাম পুনৰ কৰিবলৈ আগ্ৰহ সৃষ্টি হয় আৰু পুনৰাবৃত্তিয়ে অনুষংগ শক্তিশালী

কৰি শিকন অধিক ফলপ্ৰসূ কৰে। আনহাতে কাৰ্য্যৰ ফলাফল বিৰক্তিদায়ক হ'লে তেনে কাৰ্য্যৰ পৰা ব্যক্তি আতৰি অহা দেখা যায় আৰু তেনে কাৰ্য্যৰ পৰা বিৰত থাকে।

**শিকনৰ মতবাদসমূহ(Theories of Learning):**

১)সংযোগবাদ(**Connectionism):** শিকন সম্বন্ধে সৰ্বাধিক পৰীক্ষা-নিৰীক্ষা চলোৱা আমেৰিকাৰ বিখ্যাত মনোবিজ্ঞানী এডবাৰ্ড লি থৰ্নডাইকে (Edward Lee Thorndike) ১৯৩৩ চনতেই সংযোগবাদ তত্ব দাঙি ধৰে। ইয়াক শিক্ষণৰ চুক্তিতত্ব (bond theory) বুলিও জনা যায়। এই সংযোগ বা বন্ধন পৰিবেশ, পৰিস্থিতি অথবা উদ্দীপক আৰু ব্যক্তিৰ প্ৰতিক্ৰিয়াৰ মাজত স্থাপিত হয়। ইয়াক চমুকৈ 'S-R' সূত্ৰ বুলি জনা যায়। প্ৰত্যেক জীৱই পৰিবেশৰ উদ্দীপকৰ (stimulus) প্ৰতি প্ৰতিক্ৰিয়া (response) প্ৰদৰ্শন কৰে। মনোবিজ্ঞানৰ মৌলিক বিষয় হৈছে এই যে উদ্দীপকে ব্যক্তিৰ গ্ৰহণেন্দ্ৰিয়সমূহৰ ওপৰত ক্ৰিয়া কৰে আৰু ব্যক্তিয়ে তাৰ প্ৰতি প্ৰতিক্ৰিয়া বা সঁহাৰি জনায়। এই সংযোগবাদৰ মতে পৰিবেশৰ উদ্দীপক আৰু ব্যক্তিৰ প্ৰতিক্ৰিয়াৰ মাজত সংযোগ সাধন কৰি জ্ঞান লাভ কৰাই হৈছে শিকন।

২) অনুবন্ধনবাদ(**Conditioning):** কিছুমান উদ্দীপকৰ লগত নিৰ্দিষ্ট কিছুমান প্ৰতিক্ৰিয়াৰ স্বাভাৱিক সম্পৰ্ক আছে। এই কাৰণে কোনো শিক্ষন নোহোৱাকৈয়ে সেই উদ্দীপকবোৰে নিৰ্দিষ্ট প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। উদ্দীপকৰ বৰ্তমানত স্বাভাৱিকভাৱে কিছুমান প্ৰতিক্ৰিয়া প্ৰদৰ্শনৰ ক্ষমতা লৈ আমি জন্মগ্ৰহণ কৰিছোঁ (We are born with certain stimulus response connections called reflexes) যিবোৰক প্ৰতিবৰ্ত ক্ৰিয়া বোলা হয়। যেতিয়া কোনো প্ৰতিক্ৰিয়া তাৰ স্বাভাৱিক উদ্দীপকৰ পৰিৱৰ্তে আন উদ্দীপকৰ লগত সংযুক্ত কৰা হয় তেতিয়াই শিক্ষন হয় অৰ্থাৎ স্বাভাৱিক উদ্দীপকৰ অবৰ্তমানত আন কোনো উদ্দীপক প্ৰদান কৰিলেও স্বাভাৱিক উদ্দীপকৰ ক্ষেত্ৰত কৰা প্ৰতিক্ৰিয়াকে প্ৰদৰ্শন কৰিলে শিক্ষন হয়। অনুবন্ধিত প্ৰতিক্ৰিয়া ক্ষণস্থায়ী, ব্যক্তিগত আৰু শিক্ষালব্ধ। কোনো প্ৰতিক্ৰিয়াক এটা কৃত্ৰিম উদ্দীপকৰ লগত অনুবন্ধিত কৰাৰ পাছত আৰু আন কৃত্ৰিম উদ্দীপকৰ গতো অনুবন্ধিত কৰিব পাৰি। এয়ে অনুবন্ধনবাদ ।

৩) সামগ্ৰিকতাবাদ(**Gestalt Theory):** জাৰ্মানিৰ বিখ্যাত মনোবিজ্ঞানবিদ ৱাৰ্থিমাৰ (Wartheimer), ক'হলাৰ (Kohler) আৰু ক'ক্কাই (Koffka) ১৯১২ চনত প্ৰথম গেষ্টাল্ট মতবাদ দাঙি ধৰে। এই মতবাদ মতে মানুহে বা আন প্ৰাণীয়ে যিকোনো বস্তু বা সমস্যাৰ সামগ্ৰিক ৰূপটো প্ৰত্যক্ষ (Perception) কৰে, অংশবোৰক বিচ্ছিন্নভাৱে প্ৰত্যক্ষ নকৰে। গেষ্টাল্ট (Gestalt) শব্দৰ অৰ্থই হ'ল এক সামগ্ৰিক ৰূপ বা পেটাৰ্ণ (Pattern) বা সংগঠন (Configuration)। গতিকে গেষ্টাল্ট মতবাদৰ মূল কথা হৈছে বিষয়বস্তুৰ সূক্ষ্ম অংশসমূহ সামগ্ৰিকভাৱে নিৰীক্ষণ বা প্ৰত্যক্ষ কৰা। ক'হলাৰৰ মতে সমস্যাৰ সমাধান নিৰ্ভৰ কৰে শিক্ষাৰ্থীৰ এই সামগ্ৰিকতাবোধৰ ওপৰত। কোনো সমস্যামূলক পৰিস্থিতিত শিক্ষাৰ্থীয়ে যেতিয়া সমস্যাৰ অংশ বিশেষৰ মাজত সংযোগ সাধন কৰি তাক সামগ্ৰিকভাবে নিৰীক্ষণ কৰিব পাৰে তেতিয়াই শিক্ষন হয়।

৪) প্ৰচেষ্টা আৰু ভুল পদ্ধতি **(Trial and error method):** ব্যক্তিয়ে কোনো বিষয়ৰ শিক্ষা অভিজ্ঞতা লাভ কৰিবলৈ হ'লে ক্ৰিয়াৰ পুনৰাবৃত্তিৰ প্ৰয়োজন। কামটো কৰাৰ উপায় নজনা অৱস্থাত অথবা সমস্যা সমাধান পদ্ধতিৰ অজ্ঞাত অৱস্থাত নেৰানেপেৰা প্ৰচেষ্টাই হৈছে ইয়াৰ সমাধানৰ পথ। এনে প্ৰচেষ্টাত প্ৰথম পৰিণতি হয়তো সন্তোষজনক নহ'ব পাৰে। কিন্তু নিজ প্ৰচেষ্টাৰ এনে ভুল পৰিণতিয়েহে ব্যক্তিক শুদ্ধ পথ বা পন্থাৰ সন্ধান দিব পাৰে। প্ৰচেষ্টা আৰু ভুলৰদ্বাৰা অভিজ্ঞতা পাব পাৰি আৰু এই অভিজ্ঞতাই ব্যক্তিক সমস্যা সমাধানৰ বাবে অধিক উপযোগী কৰি তোলে। ভুলৰ যোগেদিহে শিক্ষা সম্ভৱ হৈ উঠিব পাৰে। সেইবাবে ব্যক্তিৰ প্ৰচেষ্টা আৰু ভুলৰ এক গঠনাত্মক দিশ আছে। ইয়াৰ মনোবৈজ্ঞানিক দৃষ্টিকোণৰপৰা ক'ব পাৰি যে অবিৰাম প্ৰচেষ্টাত ভুলৰ অভিজ্ঞতাই ব্যক্তিক শুদ্ধ পথৰ সন্ধান দিয়ে। সেইবাবে বাৰে বাৰে কৰা প্ৰচেষ্টাৰ ফলত ক্ৰমে ভুলৰ মাত্ৰা কমি আহি এটা সময়ত ভুল সমূলি নোহোৱা হৈ পৰে। ইয়েই উদ্দীপক আৰু প্ৰতিক্ৰিয়াৰ মাজত ক্ৰমশঃ এক শুদ্ধ পথ ৰচনা কৰে আৰু ইয়াকেই 'S–R' সংযোগ বোলা হয়। এয়ে হৈছে শিকনৰ প্ৰচেষ্টা আৰু ভুল পদ্ধতি ।

৫) অনুকৰণ পদ্ধতি **(Imitative method):** সৰ্বসাধাৰণ লোকে সচৰাচৰ অৱলম্বন কৰা শিক্ষণৰ এটা পদ্ধতি হৈছে অনুকৰণ। আনৰ নকল কৰি যি ক্ৰিয়া-আচৰণ শিকা যায়, সেয়ে অনুকৰণ। অনুকৰণ সচৰাচৰ দুই প্ৰকাৰৰ হ'ব পাৰে, যেনে-সজ্ঞান অনুকৰণ (conscious imitation) আৰু অজ্ঞান অনুকৰণ (unconscious imitation)। অনুকৰণকাৰীয়ে নিজৰ বিচাৰ-বিবেচনা আৰু বুদ্ধিৰে যত্নপৰ হৈ আৰু নিৰ্দিষ্ট আদৰ্শ আগত ৰাখি কোনো ক্ৰিয়াক অনুকৰণ কৰাকে সজ্ঞান অনুকৰণ বোলে। সজ্ঞান অনুকৰণ সেয়েহে ব্যক্তিৰ মানসিক ক্ষমতা আৰু বিকাশৰ ওপৰত নিৰ্ভৰশীল। অজ্ঞান অনুকৰণ হৈছে ব্যক্তিয়ে নিজে ক'ব নোৱৰাকৈ আনৰ ক্ৰিয়া-আচৰণ অনুকৰণ কৰা। সেইবাবে ব্যক্তিৰ অজ্ঞান অনুকৰণৰ যোগে ভাল-বেয়া দুয়োবিধ কাৰ্য্যকেই গ্ৰহণ কৰে। শিশুৰ স্বভাৱসুলভ অনুকৰণ প্ৰবৃত্তিক অজ্ঞান অনুকৰণ বুলি বৰ্ণনা কৰিব পাৰি। এনেবিধ অনুকৰণত ব্যক্তিৰ মানসিক বিশ্লেষণ আৰু জটিলতা নথকাৰ বাবে ইয়াক বিশুদ্ধ অনুকৰণ (pure imitation) বুলিও কোৱা হয়।

**শিক্ষন বিজ্ঞানৰ অৰ্থ আৰু ধাৰনা(Meaning and Concept of Pedagogy):**

শিক্ষন কাৰ্য্য বিধিগতভাৱে অধ্যয়ন কৰাকে শিক্ষন বিজ্ঞান বুলি কোৱা হয়। শিক্ষন বিজ্ঞানত শিক্ষনৰ নীতি আৰু বিধানসমূহ সুশংখলাবদ্ধভাৱে অধ্যয়ন কৰা হয়। এগৰাকী শিক্ষকক শিক্ষাদান কাৰ্য্য ফলপ্ৰসু কৰিবলৈ যিমানবোৰ কৌশল প্ৰয়োজন সেই গোটেই ধাৰনা শিক্ষন বিজ্ঞানে অৱগত কৰায়। শিক্ষাদান কাৰ্য্যৰ বিজ্ঞানসন্মত অধ্যয়নেই হৈছে শিক্ষন বিজ্ঞান। শিক্ষন বিজ্ঞানে এগৰাকী শিক্ষকক তেনে জ্ঞানেৰে পুষ্ট কৰে যাৰদ্বাৰা তেওঁ যিকোনো বিষয়বস্তু ছাত্ৰৰ বোধগম্য হোৱাত সহায় কৰিব পাৰে।

শিক্ষন বিজ্ঞানে পাঠ্যক্ৰম ছাত্ৰৰ ব্যৱহাৰিক প্ৰয়োজন সিদ্ধ হোৱাকৈ উপস্থাপন কৰাত সহায় কৰে।শিক্ষন বিজ্ঞানে এগৰাকী শিক্ষকক তত্ব পঢ়াবৰ বাবেই নহয় অনুশীলনৰ মাধ্যমেৰে ছাত্ৰক বিষয়বস্তুৰ গুঢ়াৰ্থলৈ লৈ যাবৰ বাবে প্ৰয়োজনীয় কাৰ্য্যপন্থাৰ নিৰ্দেশনা দাঙি ধৰে।

শিক্ষনে যদি অকল পাঠদান কৰা বুজায় তেন্তে শিক্ষন বিজ্ঞানে কেনেকৈ পাঠদানৰ জৰিয়তে ছাত্ৰৰ আচৰণ সংশোধন কাৰ্য্যত সফল হ'ব পাৰে তাৰ বিধিসন্মত নিৰ্দেশনা প্ৰদান কৰে।

**শিক্ষন বিজ্ঞানৰ ইতিহাস(History of Pedagogy):**

প্ৰাচীন গ্ৰীকত শিক্ষকৰ ধাৰণাটো পোন- প্ৰথমবাৰৰ বাবে আৰম্ভণি হৈছিল। তেতিয়া শিক্ষন কাৰ্য্যক কলা হিচাপে বিবেচনা কৰা হৈছিল। সেইসময়ত সমাজৰ সম্পদশালী লোকসকলেহে নিজৰ ল'ৰা ছোৱালীক পঢ়োৱাব পাৰিছিল। ছাত্ৰক জ্ঞান দিছিল বাবেই শিক্ষকক শিকন শিক্ষন প্ৰক্ৰিয়াক এটি গুৰুত্বপূৰ্ণ দিশ হিচাপে গন্য কৰা হৈছিল।

সেইসময়ত গ্ৰীকত আন এটি ধাৰনাৰো আৰম্ভণি হৈছিল।সমাজৰ চহকীসকলৰ ল'ৰা ছোৱালীক পঢ়াশালিলৈ অনা-নিয়া কৰিবৰ বাবে কিছুমান জ্ঞানী আৰু বয়স্কব্যক্তিক দায়িত্ব দিয়া হৈছিল। তেওঁলোকে শিশুসকলক নিতৌ পঢ়াশালিলৈ অনা নিয়া কৰোতে দৈনন্দিন জীৱনৰ বাবে প্ৰয়োজন হোৱা নানা মূল্যবোধ আৰু নৈতিকতাৰ শিক্ষা দিছিল। সেয়ে তেওঁলোকে **Pedagogue** বুলি কোৱা হৈছিল আৰু তেনেকৈয়ে **Pedagogy** শব্দৰ উৎপত্তি হৈছিল। বুৎপত্তিগতভাবে **Pedagogy** শব্দৰ অৰ্থ হৈছে **'Leader of Children'** মানে 'শিশুৰ নেতা', আৰু তেনেদৰেই **Pedagogue** আৰু **Pedagogy** দুয়োটা শব্দই শিক্ষন আৰু শিক্ষাদান কাৰ্য্যক এটি বিজ্ঞানসন্মত ধাৰনা আৰু পৰিসৰ প্ৰদান কৰিছে।

**শিক্ষন বিজ্ঞানৰ বৈশিষ্ট্য (Characteristics of Pedagogy):**

১) শিক্ষন বিজ্ঞানে এজন শিক্ষক 'কি পঢ়ামতকৈ' 'কেনেকৈ পঢ়াম' সেই বিষয়ে ধাৰণা প্ৰদান কৰে।

২) শিক্ষন বিজ্ঞানে শিক্ষকক বিষয়বস্তুৰ আটাইতকৈ ভাল উপস্থাপনৰ কৌশলৰ ধাৰণা প্ৰদান কৰে।

৩) শিক্ষন বিজ্ঞানে প্ৰতিজন ছাত্ৰৰ প্ৰয়োজন অনুসৰি কিদৰে শিক্ষাদান কৰিব পাৰি তাক অৱগত কৰায়।

৪) শিক্ষন বিজ্ঞানে এটি শ্ৰেনীকোঠা চম্ভালিবলৈ প্ৰয়োজন হোৱা সকলোবোৰ কৌশল শিক্ষকক প্ৰদান কৰে।

৫) শিক্ষন বিজ্ঞানে কেৱল শিক্ষাদান কাৰ্য্যৰ কথা নকয় শিক্ষন বিজ্ঞানে ছাত্ৰৰ পূৰ্বনিৰ্দ্ধাৰিত লক্ষ্যত আচৰন সংশোধন বাবে শিক্ষকক কৌশল শিকায় আৰু আচৰন সংশোধন হ'লেহে শিক্ষাদান কাৰ্য্য হৈছে বুলি গ্ৰহণ কৰে।

**শিক্ষণ বিজ্ঞানৰ ধাৰণাসমূহ (Pedagogical Approach in Teaching):**

১. **গঠনবাদী ধাৰণা (Constructivst Approach):** শিক্ষন বিজ্ঞানৰ গঠনবাদী ধাৰনা হৈছে শিক্ষন কাৰ্য্যৰ জৰিয়তে ছাত্ৰক নিস্ক্ৰিয় শ্ৰোতা হিচাপে আবদ্ধ নাৰাখি সমগ্ৰ শিক্ষন প্ৰক্ৰিয়াত সক্ৰিয় কৰি ৰখা। যি শিক্ষাদান প্ৰক্ৰিয়াত ছাত্ৰ অবিৰতভাবে সক্ৰিয় হৈ থাকে তেনে শিকন কাৰ্য্যৰ দ্বাৰাহে প্ৰকৃতাৰ্থত শিকন হোৱা বুলি ক' ব পাৰি। এই ধাৰনাই ছাত্ৰই নিজৰ অভিজ্ঞতা আৰু কাৰ্য্যৰ জৰিয়তে শিকন কাৰ্য্য কৰা বুজায়।

২. **সহযোগী ধাৰণা (Collasorative Approach):** শিক্ষন বিজ্ঞানৰ সহযোগী ধাৰনা হৈছে শিকন কাৰ্য্য ফলপ্ৰসু কৰিবৰ বাবে দলীয়ভাৱে কাৰ্য্য কৰা য' ত প্ৰত্যেকজন অংশগ্ৰহনকাৰী সক্ৰিয়ভাবে শিকন শিক্ষন কাৰ্য্যত জৰিত হ' ব পাৰে। সহযোগী শিক্ষন প্ৰক্ৰিয়াৰ দ্বাৰা ছাত্ৰক সৃষ্টিশীল কাৰ্য্য কৰাৰ পৰিবেশ সৃষ্টি কৰাই শিক্ষকৰ মূখ্য উদ্দেশ্য।শিক্ষনৰ সহযোগী ধাৰণা অনুসৰি যিকোনো সম্যসা ছাত্ৰক দলীয়ভাবে থাকি সমাধান কৰিবলৈ সুবিধা দিয়া হয়। তেনে কৰিলে ছাত্ৰই বিষয়বস্তুত সোমাই পৰে আৰু নিজাকৈ সমাধানৰ পথ উলিয়ায়।

৩. **সংহত ধাৰণা (Integrative Approach):** শিক্ষন বিজ্ঞানৰ সংহত ধাৰণাই শিক্ষাদান কাৰ্য্যত বহু বিষয় একেলগে উপস্থাপন কৰা বুজায়। শিক্ষণ শিকন কাৰ্য্যত আন্ত: সম্মপৰ্ক স্থাপন কৰিব পাৰিলে শিকন মনোগ্ৰাহী হয় আৰু ছাত্ৰই বহু কথা কম সময়ত শিকিব পাৰে। শিক্ষাদান প্ৰক্ৰিয়াত বিভিন্ন বিষয়ৰ মাজত বা বিভিন্ন বিষয়ত অন্তৰ্ভুক্ত অধ্যায়ৰ মাজত আন্ত: সম্মপৰ্ক স্থাপন কৰিব পাৰিলে শিকনৰ বুজা কম হয়। অকল বিভিন্ন বিষয়ৰ সতে নহয় জীৱনৰ দৈনন্দিন কাৰ্য্যৰ সতেও শিকন বিষয়ৰ সম্বন্ধ স্থাপন কৰিব পাৰি।

৪. **অনুসন্ধান ভিত্তিক শিক্ষণ ধাৰণা (Inquire based Learning Approach):** এনে শিক্ষনে ছাত্ৰক সমস্যা সমাধান আৰু অভিজ্ঞতা ভিত্তিক শিকন কাৰ্য্যত সহায় কৰে। এই শিকন পদ্ধতিয়ে ছাত্ৰক বিভিন্ন বিষয়ত প্ৰশ্ন সুধিবলৈ উৎ হাস যোগায় আৰু প্ৰকৃত জীৱন অভিজ্ঞতাৰ মুখামুখি হ'বলৈ প্ৰস্তুত কৰে। এনে শিকনে ছাত্ৰৰ সমস্যা সমাধানৰ কৌশল আৰু সৃষ্টিশীলতাৰ বিকাশ ঘটায়। ইয়ে বিভিন্ন ব্যক্তিৰ হৈতে সংযোগ স্থাপনৰ কৌশলৰ বিকাশ ঘটায়।

**শিক্ষাত শিক্ষন বিজ্ঞানৰ গুৰুত্ব (Importance of Pedagogy in Education):**

১. **শিক্ষণ বিজ্ঞানৰ জ্ঞানে শিক্ষণৰ গুণগত মানদণ্ড উচ্চ কৰে (It Improves Quality of Teaching):** এজন ছাত্ৰই শিক্ষকৰ কথাখিনি শুনিলেই নহ'ব। ছাত্ৰ জনে শিক্ষকৰ কথা শুনি তেনেকৈ নিজে কৰিব পাৰিব লাগিব। শিক্ষন বিজ্ঞানে শিক্ষক এজনক ছাত্ৰজনৰ আচৰণ সংশোধন কৰিবলৈ আৱশ্যক হোৱা সকলো কৌশলৰ জ্ঞান প্ৰদান কৰে।

২. **শিক্ষন বিজ্ঞানৰ জ্ঞানে শ্ৰেণীকোঠাত সহযোগিতাৰ পৰিবেশ সৃষ্টি কৰাত সহায় কৰে (It Creates Co-operative Learning Environment):** শ্ৰেণীকোঠাত শিকন শিক্ষন সচাঁ অৰ্থত দ্বিপাক্ষিক প্ৰক্ৰিয়া য'ত শিক্ষক আৰু ছাত্ৰ দুয়োটা পক্ষ সম্মপূৰ্ণ সক্ৰিয় হৈ থকাৰ প্ৰয়োজন। কিন্তু সাধাৰণভাৱে পৰ্য্যবেক্ষন কৰিলে দেখা যায় যে শ্ৰেণীকোঠা শিক্ষকৰ দ্বাৰাহে নিয়ন্ত্ৰিত হৈ থাকে।শিক্ষন বিজ্ঞানৰ জ্ঞানে শ্ৰেণীকোঠাতো শিক্ষক ছাত্ৰক সমানে সক্ৰিয় হৈ থকাৰ পৰিবেশ সৃষ্টি কৰাত সহায় কৰে।

৩. **শিক্ষন বিজ্ঞানৰ জ্ঞানে শ্ৰেণীকোঠাৰ বিৰক্তি নোহোৱা হোৱাত সহায় কৰে (It Eliminates Monotonous Learning):**শিকন শিক্ষন দুয়োটা প্ৰক্ৰিয়াই ছাত্ৰৰ বাবে সচাঁ অৰ্থত বিৰক্তিদায়ক। কিন্তু শিক্ষকৰ প্ৰকৃত শিক্ষন বিজ্ঞানৰ জ্ঞানে শ্ৰেণীকোঠাৰ তেনে বিৰক্তিকৰ অবসাদ নোহোৱা কৰি অভিৰোচন সৃষ্টি কৰাত সহায় কৰে।

৪. **শিক্ষন বিজ্ঞানে শিকনৰ নিয়ম অনুসৰি শিক্ষাদানত গুৰুত্ব আৰোপ কৰে (It Helps to Teach by following the Laws of Learning):** শিক্ষন বিজ্ঞানে শিকনৰ নিয়মানুসৰি শিক্ষাদান কাৰ্য্য কৰাত শিক্ষকক সুনিপুন হোৱাত সহায় কৰে। মনোবৈজ্ঞানিক শিকন কৌশলসমূহ ব্যৱহাৰ কৰি শ্ৰেনীত পাঠদান কৰিলে শিক্ষাদান ফলপ্ৰসু হয়। ছাত্ৰৰ সামগ্ৰীক বিকাশৰ বাবে তেনে পাঠদানৰ প্ৰয়োজন।

৫. শিক্ষন বিজ্ঞানে সকলো ছাত্ৰৰ সুবিধাৰ কথাত গুৰুত্ব দিয়ে **(It Creats Convenient Learning Approach for All):** শ্ৰেণীকোঠা বহু ছাত্ৰৰ সমষ্টি । একে গতিৰ শিক্ষাদান কাৰ্য্যই কোনো ছাত্ৰক উপকৃত নকৰে। শিক্ষন বিজ্ঞানে একে সময়তে বহুজন ছাত্ৰৰ মনোগ্ৰাহী আৰু উপকৃত হোৱাকৈ শিক্ষাদানৰ কৌশল শিকাত শিক্ষকক সহায় কৰে।

১. শিক্ষন বিজ্ঞানে বিভিন্ন শিকন কৌশল শিকাত শিক্ষকক সহায় কৰে **(It Encourages Different Learning Style):**শিক্ষা হৈছে আচৰন পৰিশোধনৰ উপায়। কিন্তু শিক্ষাদান কৰাতে ছাত্ৰই কেনেকৈ শিকে সেই কথা জনাটো শিক্ষকৰ বাবে খুবেই গুৰুত্বপূৰ্ণ বিষয়। যদি

শিক্ষকজনে শিকনৰ কৌশলসমূহ জানে তেনেধৰনেৰে শিক্ষাদান কৰিলে ছাত্ৰই সহজতে শিকন কাৰ্য্য সম্পাদন কৰিব পাৰে।আৰু এই জ্ঞান শিক্ষন বিজ্ঞানে শিক্ষকক প্ৰদান কৰে।

**সামৰনি(Conclusion)ঃ**

শিক্ষা বিষয়ত শিকন আৰু শিক্ষণৰ মনোবৈজ্ঞানিক দৃষ্টিভংগী আলোচনা কৰাটো অতি প্ৰয়োজন। মনোবিজ্ঞানীসকলে শিকন আৰু শিক্ষণৰ জটিল প্ৰক্ৰিয়া বৈজ্ঞানিক দৃষ্টিৰে বিশ্লেষণ কৰি তাৰ বস্তুনিষ্ঠ অধ্যয়ন আৰু নীতি নিৰ্ধাৰণ কৰাটো সম্ভৱ কৰি তুলিছে। শিকন আৰু শিক্ষণৰ ধাৰণাক এক সুস্পষ্ট কাৰ্য্যকৰী ব্যৱস্থাত ৰূপদান কৰি তুলিছে। ইয়াৰ ফলত শিক্ষা বিজ্ঞানৰ অন্তৰ্ভুক্ত বিষয়স্বৰূপে বৰ্তমান পৰিগণিত হৈছে। সেয়ে শিক্ষা- মনোবিজ্ঞানত শিকন আৰু শিক্ষণৰ এক গুৰুত্বপূৰ্ণ অধ্যায়স্বৰূপে বিবেচনা কৰা হৈছে ।